# গুজৰাট ৰাজ্য

# বনাম

# মেচাৰ্চ অনন্ত মিলছ্ লিমিটেড

১৯৬৫ চনৰ ২৩ নৱেম্বৰ।

[ ন্যায়াধীশ কে. সুব্বাৰাও, জে. চি. শ্বাহ আৰু এছ. এম. চিক্ৰী ]

বম্বে বিক্ৰী কৰ (ৰেহাই, ছেট-অফ আৰু গঠন )নিয়ম, ১৯৫৪, ৬ আৰু ১২ নং নিয়ম-জিন বিহীন কপাহৰ ওপৰত প্ৰদান কৰা ক্ৰয় কৰ-উৎপাদনত ব্যৱহৃত জিনযুক্ত কপাহ-কপাহৰ বীজ বিক্ৰী- ক্ৰয় কৰ, যদিহে ঘূৰাই দিব পৰা যায়।

কপাহী বস্ত্ৰ নিৰ্মাতা, উত্তৰদাতাই জিন বিহীন কপাহ ক্ৰয় কৰিছিল আৰু তাৰ ওপৰত ক্ৰয় কৰ দিছিল। কপাহ জিন কৰা হৈছিল আৰু উত্তৰদাতাই জিনযুক্ত কপাহ কপাহী বস্ত্ৰ নিৰ্মাণত ব্যৱহাৰ কৰা কৰিছিল আনহাতে কপাহৰ বীজ ইয়াৰ দ্বাৰা বিক্ৰী কৰা হৈছিল। উত্তৰদাতাই বম্বে বিক্ৰী কৰ (ৰেহাই, ছেট-অফ আৰু গঠন) নিয়ম, ১৯৫৪ ৰ অধীনত কপাহৰ ওপৰত প্ৰদান কৰা ক্ৰয় কৰ ঘূৰাই দিয়াৰ দাবী কৰে যিটো বিক্ৰী কৰ কৰ্তৃপক্ষই এই ভিত্তিত অস্বীকাৰ কৰিছিল যে নিয়ম ৬ (২) তেতিয়া প্ৰযোজ্য নহয় যেতিয়া কেৱল সহযোগী বা আনুষংগিক সামগ্ৰী বিক্ৰী কৰা হৈছিল আৰু মূল সামগ্ৰীটো সামগ্ৰী নিৰ্মাণত ব্যৱহাৰ কৰা হৈছিল আৰু পূৰ্বতে উল্লেখ কৰা নিয়মৰ কাম-কাজ চাই, অ-প্ৰক্ৰিয়া কৃত সামগ্ৰীৰ সকলো সামগ্ৰী তেওঁ বিক্ৰী কৰিব লাগিছিল। নিয়ম ১২(১) ৰ অধীনত উচ্চ ন্যায়ালয়ে ক্ৰয় কৰ ঘূৰাই দিয়াৰ অনুমতি দিছিল।

কোৱা হৈছিল যে : নিয়ম ১২(১)ৰ অধীনত প্ৰতিবাদীয়ে ধন ঘূৰাই পোৱাৰ অধিকাৰী আছিল। নিয়ম ১২(১)ৰ অধীনত যিটো প্ৰয়োজনীয় সেয়া হ'ল যে সামগ্ৰীসমূহ প্ৰকৃততে নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰা উচিত আছিল অৰ্থাৎ পূৰ্বতে উল্লেখ কৰা যি কোনো সামগ্ৰী বিক্ৰীৰ বাবে উৎপাদন কৰা। এই ক্ষেত্ৰত এই চৰ্ত সমূহ পূৰণ কৰা হৈছে কাৰণ বিক্ৰীৰ বাবে ২ নং স্তম্ভত উল্লেখ কৰা

সামগ্ৰী সমূহৰ ভিতৰত এটা অৰ্থাৎ কপাহৰ বীজ উৎপাদনৰ উদ্দেশ্যে জিন বিহীন কপাহ ব্যৱহাৰ কৰা হৈছিল। [৬৭২-এইচ]

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং: ৮০৭/ ১৯৬৪ ।**

বিক্ৰী-কৰ প্ৰসংগ নং: ৮/১৯৬১ ত গুজৰাট উচ্চ ন্যায়ালয়ৰ ১৯৬২ চনৰ ১০ ডিচেম্বৰ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা বিশেষ অনুমতিৰ দ্বাৰা কৰা আপীল।

আৰ. গণপতি আয়াৰ আৰু বি. আৰ. জি. কে. আচাৰ, আপীলকাৰীৰ বাবে।

আই. এন. শ্ৰফ, উত্তৰদাতাৰ বাবে।

আদালতৰ ৰায়দান ন্যায়াধীশ চিক্ৰীৰ দ্বাৰা প্ৰদান কৰা হৈছিল।

বিশেষ অনুমতিৰ দ্বাৰা কৰা এই আপীল গুজৰাট বিক্ৰী কৰ ন্যায়াধিকৰণৰ দ্বাৰা উল্লেখ কৰা বিক্ৰী কৰ প্ৰসংগত গুজৰাট উচ্চ ন্যায়ালয়ৰ ৰায়দানৰ বিৰুদ্ধে নিৰ্দেশিত আছিল। উক্ত ন্যায়াধিকৰণে উচ্চ ন্যায়ালয়লৈ দুটা প্ৰশ্ন প্ৰেৰণ কৰিছিল:

"১) তথ্য আৰু পৰিস্থিতিত বিক্ৰী কৰ (ৰেহাই, ছেট-অফ আৰু গঠন) নিয়ম, ১৯৫৪ ৰ নিয়ম ৬ৰ দফা (২)ৰ অৰ্থৰ ভিতৰত, আবেদনকাৰী মিলৰ দ্বাৰা ক্ৰয় কৰা কেঁচা কপাহ বিক্ৰীৰ বাবে কপাহৰ বীজ উৎপাদনত ব্যৱহাৰৰ উদ্দেশ্য কৰা হৈছিল বুলি ক'ব পাৰি নেকি।

২) আবেদনকাৰী মিলএ নিয়ম ১২(১) ৰ অধীনত' ইয়াৰ দ্বাৰা পৰিশোধ কৰা ক্ৰয় কৰ ঘূৰাই দিবলগীয়া আছিল নেকি।'

ন্যায়াধিকৰণে গোচৰৰ বিবৃতিত উল্লেখ কৰা তথ্য সমূহ চমুকৈ তলত দিয়া ধৰণৰ: উত্তৰ দাতা জন কপাহী বস্ত্ৰ বিশেষকৈ মোটা আৰু মজলীয়া জাতৰ কাপোৰ নিৰ্মাতা আছিল। ১৯৫৫ চনৰ ১ এপ্ৰিলৰ পৰা ১৯৫৬ চনৰ ৩১ মাৰ্চলৈকে মূল্যায়নৰ সময়ছোৱাত পঞ্জীয়ন বিহীন ব্যৱসায়ীৰ পৰা ৫,৯৩,২৬৬/- টকাৰ জিন বিহীন কপাহ ক্ৰয় কৰিছিল আৰু বম্বে বিক্ৰী কৰ আইন, ১৯৫৩ৰ ধাৰা

১০(ক)ৰ অধীনত ৫,৯৩২/- টকাৰ ক্ৰয় কৰ পৰিশোধ কৰা হৈছিল। কপাহখিনি জিন কৰা হৈছিল আৰু উত্তৰদাতাই, জিনযুক্ত কপাহ ব্যৱহাৰ কৰি কপাহৰ বস্ত্ৰ নিৰ্মাণ কৰাৰ বিপৰীতে কপাহৰ বীজ বিক্ৰী কৰিছিল। মূল্যায়ন কাৰ্য্য বিধিৰ সময়ত প্ৰতিবাদীয়ে বম্বে বিক্ৰী কৰ (ৰেহাই, ছেট-অফ আৰু গঠন) নিয়ম, ১৯৫৪, (ইয়াৰ পিছত নিয়ম বুলি কোৱা হ'ব)ৰ অধীনত জিন নোহোৱা কপাহৰ ওপৰত প্ৰদান কৰা ক্ৰয় কৰ ঘূৰাই দিবলৈ আবেদন কৰিছিল। বিক্ৰী কৰ বিষয়াই নিয়ম ৬(২)ৰ সৈতে পঢ়া নিয়ম ১২(১)ৰ চৰ্তসমূহ পূৰণ নোহোৱাৰ ভিত্তিত কোনো ধৰণৰ ধন ঘূৰাই দিবলৈ অস্বীকাৰ কৰে। আপীলত বিক্ৰী কৰ সহকাৰী সংগ্ৰাহকে বিক্ৰী কৰ বিষয়াৰ আদেশ এই ভিত্তিত নিশ্চিত কৰে যে "যেতিয়া কেৱল সহযোগী বা আনুষংগিক সামগ্ৰী বিক্ৰী কৰা হয়, তেতিয়া নিয়ম ৬(২) প্ৰযোজ্য নহয়, আৰু মূল সামগ্ৰীটো অন্যান্য সামগ্ৰী নিৰ্মাণত ব্যৱহাৰ কৰা হয়। পূৰ্বতে উল্লেখ কৰা নিয়ম অনুসৰি অপ্ৰক্ৰিয়াকৃত সামগ্ৰীৰ উৎপাদন বিক্ৰী কৰিব লাগে।"

উত্তৰদাতাই বিক্ৰী কৰ উপ-আয়ুক্তৰ সন্মুখত পুনৰীক্ষণ আবেদন দাখিল কৰিছিল, যিয়ে বিক্ৰী কৰ বিষয়াৰ আদেশো মানি চলিছিল। ইয়াৰ পিছতে উত্তৰদাতাই গুজৰাটৰ বিক্ৰী কৰ ন্যায়াধিকৰণৰ সন্মুখত পুনৰীক্ষণ আবেদন দাখিল কৰে। ন্যায়াধিকৰণে এই পুনৰীক্ষণ আবেদন এই ভিত্তিত নাকচ কৰিছিল যে "আবেদনকাৰী সকলৰ ক্ৰয়ৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল মূলতঃ নিৰ্মাণৰ বাবে জিনযুক্ত কপাহ উৎপাদন কৰা।" জিনিং প্ৰক্ৰিয়াৰ উপ-উৎপাদন গঠন কৰা কপাহৰ বীজবোৰ নিঃসন্দেহে বিক্ৰী কৰিব লাগিব কাৰণ মিলটোৰ ক্ষেত্ৰত এইবোৰ ৰ কোনো প্ৰয়োগ নাছিল কিন্তু ইয়াৰ অৰ্থ এইটোও নহয় যে যিটো উদ্দেশ্যৰ বাবে জিনবিহীন কপাহ ক্ৰয় কৰা হৈছিল সেয়া কপাহৰ গুটি বিক্ৰী কৰাৰ উদ্দেশ্যে আছিল। বস্ত্ৰ কল এটাই কপাহৰ বীজ বিক্ৰীৰ উদ্দেশ্যে জিন বিহীন কপাহ ক্ৰয় কৰে বুলি ধৰি লোৱাটো যুক্তি সংগত নহয়।" ইতিমধ্যে উল্লেখ কৰা অনুসৰি উত্তৰদাতাৰ অনুৰোধত ন্যায়াধিকৰণে গোচৰটো উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰিছিল। উচ্চ ন্যায়ালয়ে ২ নং প্ৰশ্নৰ উত্তৰ সাকাৰত্মকভাৱে affirmative

দিছিল , কিন্তু ১ নং প্ৰশ্নৰ উত্তৰ এই ভিত্তিত দিয়া নাছিল যে বিতৰ্কিত বিষয়টো নিৰ্ণয় কৰাৰ উদ্দেশ্যে প্ৰশ্নটোৰ উত্তৰটো প্ৰাসংগিক নাছিল।

আপীলকাৰীৰ হকে বিদ্বান অধিবক্তা গণপথী আয়াৰ ডাওঁৰীয়াই দাবী কৰিছিল যে বিক্ৰী কৰ কৰ্তৃপক্ষই উত্তৰদাতাক ধন ঘূৰাই দিয়াৰ অনুমতি দিবলৈ অস্বীকাৰ কৰাটো সঠিক আছিল আৰু উচ্চ ন্যায়ালয়ে দ্বিতীয়টো প্ৰশ্নৰ উত্তৰ উত্তৰ দাতাৰ সপক্ষে দিয়াটো ভুল আছিল। পক্ষসমূহৰ বিতৰ্কৰ শলাগ ল'বলৈ হ'লে ৬ আৰু ১২ নিয়মৰ তফছিল উল্লেখ কৰাটো প্ৰয়োজনীয়।

"৬) বিক্ৰীৰ শ্ৰেণীসমূহ যাৰ ওপৰত সাধাৰণ বিক্ৰী কৰ প্ৰদান কৰা নহয়" ধাৰা ৯ৰ অধীনত আৰোপ কৰিব লগীয়া সাধাৰণ বিক্ৰী কৰ তলত উল্লেখ কৰা শ্ৰেণী সমূহৰ বিক্ৰীৰ ক্ষেত্ৰত প্ৰদান কৰিব নোৱাৰিব :-

(১) .. .. .. .. .. .. .. ..

(২) ইয়াৰ তফছিলৰ স্তম্ভ ১ত উল্লেখ কৰা যি কোনো প্ৰৱেশৰ অন্তৰ্গত যি কোনো সামগ্ৰীৰ বিক্ৰী ধাৰা ১২ৰ অধীনত অনুজ্ঞাপত্ৰ থকা এজন ব্যৱসায়ীক যিয়ে বিক্ৰী কৰা ব্যৱসায়ীক প্ৰ-পত্ৰ (৪)ত প্ৰমাণ-পত্ৰ প্ৰদান কৰে য'ত ঘোষণা কৰা হয় যে তেওঁ বিক্ৰী কৰা সামগ্ৰীসমূহ বিক্ৰীৰ বাবে উক্ত তফছিলৰ স্তম্ভ ২ ৰ সংশ্লিষ্ট প্ৰৱেশৰ অন্তৰ্গত যি কোনো সামগ্ৰী উৎপাদনত তেওঁ ব্যৱহাৰ কৰাৰ উদ্দেশ্যে হয়।

**<u>অনুসুচী</u>**

| | |
|---|---|
| য'ত উল্লেখ কৰা সামগ্ৰী সমূহ স্তম্ভ ২ উৎপাদন কৰা হয় উৎপাদিত সামগ্ৰী<br>১ | উৎপাদিত সামগ্ৰী<br>২ |
| ১)কপাহৰবীজ; জিনবিহীনবাচেপিনোযোৱাকপাহ<br>XX | জিনবিহীনকপাহ; জিনবাচেপিলোৱাকপাহ; কপাহবীজ<br>xx |

১২. কিছুমান বিশেষ ক্ষেত্ৰত ক্ৰয় কৰ ঘূৰাই দিয়া আৰু ৰেহাই দিয়া-

( ১ ) য'ত কোনো ব্যৱসায়ীয়ে নিয়ম ৬ৰ দফা (১) বা (২)ত উল্লেখ কৰা ধৰণে সামগ্ৰী ক্ৰয় কৰে সংগ্ৰাহকৰ সন্তুষ্টিৰ বাবে এইটো দেখুওৱা হয় যে উক্ত

দফাত উল্লেখ কৰা উদ্দেশ্যৰ বাবে তেওঁ সেই সামগ্ৰী ব্যৱহাৰ কৰিছে, সংগ্ৰাহকে ডিলাৰক দিয়া ধন ঘূৰাই পোৱাৰ বাবে আবেদন কৰিলে বম্বে বিক্ৰী কৰ (পদ্ধতি) নিয়মৰ ২৫ নং নিয়মত উল্লেখ কৰা ধৰণেৰে কৰিব লাগিব, ১৯৫৪ চনত এনে ডিলাৰক এনে ক্ৰয়ৰ সন্দৰ্ভত তেওঁ প্ৰদান কৰা ক্ৰয় কৰ ধন ঘূৰাই দিব; বা য'ত এনে ক্ৰয়ৰ সন্দৰ্ভত ধাৰা ১০ৰ দফা (ক)ৰ অধীনত প্ৰদান কৰিব লগীয়া ক্ৰয় কৰৰ পৰিমাণ এতিয়াও প্ৰদান কৰা হোৱা নাই, তেনে ধনৰাশি সংগ্ৰাহকে আদেশৰ দ্বাৰা প্ৰেৰণ কৰক।"

গণপথী আয়াৰ ডাঙৰীয়াই কয় যে যেতিয়া নিয়ম ১২ য়ে নিয়ম ৬ৰ দফা (২)ত উল্লেখ কৰা উদ্দেশ্যৰ কথা কয়, তেতিয়া ইয়াৰ অৰ্থ হৈছে "স্তম্ভ২ ত সংশ্লিষ্ট প্ৰৱেশৰ অন্তৰ্গত যি কোনো সামগ্ৰী বিক্ৰীৰ বাবে উৎপাদন কৰা।" অৰ্থাৎ অন্য ধৰণে তেওঁ কয় যে যদিহে জিন বিহীন কপাহ বা উৎপাদন কৰা কপাহ বা কপাহৰ বীজ বিক্ৰীৰ উদ্দেশ্য নহয়, আৰু যদি এই সামগ্ৰীসমূহৰ কোনো এটা উৎপাদন হয় কিন্তু বিক্ৰী নহয় তেন্তে নিয়ম ১২ প্ৰযোজ্য নহয়।

আনহাতে, শ্ৰীযুত শ্ৰফে কয় যে "উক্ত দফাত উল্লেখ কৰা শব্দবোৰৰ উদ্দেশ্য"ৰ অৰ্থ হ'ল কেৱল তফছিলৰ স্তম্ভ ২ ত সংশ্লিষ্ট প্ৰৱেশৰ অন্তৰ্গত যি কোনো সামগ্ৰী উৎপাদন কৰাৰ উদ্দেশ্য, আৰু তেওঁ বিচাৰে যে "বিক্ৰীৰ বাবে" শব্দটো আমি বিবেচনাৰ পৰা বাদ দিওঁ। গণপথী আয়াৰ ডাঙৰীয়াৰ কথাত আমি একমত যে সামগ্ৰী উৎপাদনৰ উদ্দেশ্য জিন বিহীন কপাহ, জিন বা চেপি লোৱা কপাহ, বিক্ৰীৰ বাবে কপাহৰ বীজ, আৰু "বিক্ৰীৰ বাবে" শব্দটো কাৰ্যকৰী হ'ব লাগিব।

কিন্তু গণপথী আয়াৰ ডাঙৰীয়াৰ এই বিতৰ্ক মানি ল'লেও আমাৰ মতে প্ৰতিবাদীয়ে নিয়ম ১২(১)ৰ অধীনত ধন ঘূৰাই পোৱাৰ অধিকাৰী হ'ব। ৬ নং নিয়মত ক্ৰয়ৰ সময়ত উদ্দেশ্যৰ কথা কোৱা হৈছে কিন্তু নিয়ম ১২ ৰ দফা ৬ (২)ত উল্লেখ কৰা উদ্দেশ্যৰ উল্লেখ কৰি সেই উদ্দেশ্য অন্তৰ্ভুক্ত কৰা হোৱা নাই। ক্ৰয়ৰ সময়ত থকা উদ্দেশ্য নিয়ম ১২ৰ উদ্দেশ্যে অ-প্ৰাসংগিক। নিয়ম ৬(২)ৰ

উদ্দেশ্য প্ৰাসংগিক আছিল কাৰণ ক্ৰয়কাৰী ব্যৱসায়ীয়ে বিক্ৰী কৰা ব্যৱসায়ী জনক প্ৰ-পত্ৰ (৪)ত এখন প্ৰমাণ পত্ৰ প্ৰদান কৰিব লাগিছিল য'ত ঘোষণা কৰা হৈছিল যে তেওঁ বিক্ৰী কৰা সামগ্ৰীসমূহ তেওঁৰ অধীনত থকা যি কোনো সামগ্ৰী উৎপাদনৰ বাবে ব্যৱহাৰ কৰা উক্ত সূচীৰ স্তম্ভ ২ ত সংশ্লিষ্ট প্ৰৱেশৰ অধীনত বিক্ৰীৰ উদ্দেশ্যে আছিল। কিন্তু যেতিয়া প্ৰতিবাদীয়ে আইনখনৰ ১০ (ক) ধাৰাত জিন নথকা কপাহৰ ওপৰত ক্ৰয় কৰ পৰিশোধ কৰিছিল, তেতিয়া তেওঁ সেই কৰ পৰিশোধ কৰিছিল কাৰণ তেওঁ পঞ্জীয়ন ভুক্ত ব্যৱসায়ী নহোৱা ব্যক্তিৰ পৰা এেকে খিনি ক্ৰয় কৰিছিল, আৰু সেই পৰ্যায়ত কোনো প্ৰমাণ পত্ৰ প্ৰদানৰ প্ৰশ্নই নাছিল।

উচ্চ ন্যায়ালয়ে পৰ্যবেক্ষণ কৰা মতে "প্ৰয়োজনীয় কথাটো হ'ল যে সামগ্ৰীসমূহ প্ৰকৃততে নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে অৰ্থাৎ পূৰ্বতে উল্লেখ কৰা যি কোনো সামগ্ৰী বিক্ৰীৰ বাবে উৎপাদন কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা উচিত আছিল।" এই ক্ষেত্ৰত  এই চৰ্তসমূহ পূৰণ কৰা হৈছে কাৰণ ২ নং স্তম্ভত উল্লেখ কৰা সামগ্ৰীসমূহৰ ভিতৰত এটা অৰ্থাৎ কপাহৰ বীজ উৎপাদনৰ উদ্দেশ্যে জিন বিহীন কপাহ ব্যৱহাৰ কৰা হৈছিল। ফলস্বৰূপে, প্ৰতিবাদীয়ে নিয়ম ১২ৰ অধীনত ধন ঘূৰাই পোৱাৰ অধিকাৰী আছিল আৰু উচ্চ ন্যায়ালয়ে দ্বিতীয়টো প্ৰশ্নৰ উত্তৰ হ'ব বুলি দিয়াটো সঠিক আছিল। উচ্চ ন্যায়ালয়ৰ সৈতেও আমি একমত যে ২ নং প্ৰশ্নৰ উত্তৰৰ প্ৰতি লক্ষ্য ৰাখি ১ নংপ্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়োজন নাই।

ফলত আপীল বিফল হয় আৰু উচ্চ ন্যায়ালয়ত খৰচৰ সৈতে খাৰিজ কৰা হয়।

আপীল খাৰিজ কৰা হৈছে।

Translated by- Bitabi Mahanta, Advocate

Examined by- Pranab Jyoti Borah,

Senior Grade Translator

Gauhati High Court